# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-OCT-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। নাৰী শক্তিক আত্মনিৰ্ভৰশীল কৰি তোলাৰ দিশত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান এটা আৰম্ভণি বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। বিটিচিৰ প্ৰথমখন বিধায়িনী সভাৰ অধিবেশন আজি কোকৰাঝাৰত অনুষ্ঠিত। ত্ৰিদিপ দৈমাৰীক বিধায়িনী সভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত।

৪। হাংগেৰীৰ প্ৰখ্যাত ঔপন্যাসিক আৰু চিত্ৰনাট্যকাৰ লাছল' ক্ৰাছনাহ'ৰ্কাইলৈ ২০২৫ বৰ্ষৰ সাহিত্যৰ নোবেল বঁটা।

৪। পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তৱৰ্তী অঞ্চলত আজি ধান কটাক কেন্দ্ৰ কৰি হোৱা সংঘৰ্ষত এজনৰ মৃত্যু। *আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি দক্ষিণ আফ্ৰিকাৰ টছত জিকি ভাৰতক বেট ধৰাৰ বাবে আমন্ত্ৰণ। ভাৰতৰ এইপৰ্যন্ত ১৮৬ ৰান সংগ্ৰহ।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান নাৰী শক্তিক আত্মনিৰ্ভৰশীল কৰি তোলাৰ দিশত এটা আৰম্ভণি বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে আত্মসহায়ক গোটৰ সদস্যা সকলক লাখপতি বাইদেউলৈ উন্নীত কৰাৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ধেমাজি জিলাৰ চিমেন চাপৰিত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ মহিলাসকলক উদ্যমিতা পুঁজিৰ ধন বিতৰণ কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। অসমৰ নাৰী সমাজে ৰাজ্যত অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰিছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে ভৱিষ্যতে ৪০ লাখ মহিলাই ৮৫ হাজাৰ টকা পৰ্যন্ত উদ্যমিতা পুঁজি লাভ কৰিলে অসমৰ গ্ৰাম্য অৰ্থনীতিত নিশ্চিতভাৱে যুগান্তকাৰী পৰিৱৰ্তন আহিব। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে চৰকাৰে কৃষি, পশুপালন, হস্ততাঁত আৰু হস্তশিল্পকে প্ৰমুখ্য কৰি বিভিন্ন ক্ষেত্ৰত মহিলা উদ্যোগীৰ বিকাশৰ জৰিয়তে গ্ৰামাঞ্চলত জীৱিকাৰ বিকল্প সম্ভাৱনাৰ প্ৰসাৰ ঘটোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ড০ শৰ্মাই আজি এই আঁচনিৰ অধীনত জোনাই বিধানসভা সমষ্টিৰ ৩৬ হাজাৰ ৮৮৬ গৰাকী হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। তেওঁ লগতে চৰকাৰী পলিটেকনিক প্ৰতিষ্ঠান আৰু আই টি আই কেন্দ্ৰসমূহক উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে উন্নীতকৰণ আঁচনিৰ অধীনত ধেমাজি পলিটেকনিক প্ৰতিষ্ঠানত নিৰ্মাণ কৰা মেৰামতি কেন্দ্ৰ আৰু প্ৰযুক্তি গৱেষণাগাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ড০ শৰ্মাই ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ অধীনত পঞ্চদশ বিত্তীয় আয়োগৰ স্বাস্থ্য অনুদান আঁচনিৰ পুঁজিৰে ধেমাজি জিলাৰ চিমেন চাপৰি উপ-স্বাস্থ্য কেন্দ্ৰত ৩০ খন বিছনাযুক্ত সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলাও স্থাপন কৰে।

ooooo

বিটিচিৰ নৱগঠিত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফ চৰকাৰৰ প্ৰথমখন বিধায়িনী সভাৰ অধিবেশন আজি কোকৰাঝাৰৰ বড়োফা নগৰৰ বিটিচি বিধায়িনী ভৱনত অনুষ্ঠিত হয়। বিপিএফৰ ২৮ জন, ইউ পি পি এলৰ ৫ জন আৰু বিজেপিৰ ৪ জনকে ধৰি মুঠ ৩৭ জন নৱনিৰ্বাচিত পাৰিষদে অধিবেশনৰ সময়ত নতুন বিটিচি চৰকাৰৰ আনুষ্ঠানিক আৰম্ভণি উপলক্ষে আজি শপত গ্ৰহণ কৰে। ত্ৰিদিপ দৈমাৰীক বিটিচি বিধায়িনী সভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হয়। বিটিচিৰ মুৰববী তথা বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে অধ্যক্ষ পদৰ বাবে শ্ৰীদৈমাৰীৰ নাম প্ৰস্তাৱ কৰে আৰু সভাই সৰ্বসন্মতিক্ৰমে এই প্ৰস্তাৱ গৃহীত কৰে।

০০০০০

অসম আৰক্ষীৰ বিভিন্ন পদৰ পৰীক্ষাৰ চূড়ান্ত ফলাফলসমূহো কাইলৈ ঘোষণা কৰা হ'ব। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি বোৰ্ডৰ www.slprbassam.in ৱেবছাইটত কাইলৈ পুৱা চাৰে ১১ বজাত ফলাফলসমূহ উপলব্ধ হ'ব। কাইলৈ অসম আৰক্ষীৰ ১৪৪টা উপ-পৰিদৰ্শক পদ, অসম আৰক্ষী অনাতাঁৰ সংগঠনৰ ৭টা উপ-পৰিদৰ্শক পদ, অসম কামাণ্ডো বেটেলিয়নৰ ৫১টা উপ-পৰিদৰ্শক পদ আৰু ১৬৪টা কনিষ্টবল পদৰ লগতে অন্যান্য পদসমূহৰ কাৰণে আয়োজন কৰা পৰীক্ষাসমূহৰ ফলাফল উপলব্ধ হ'ব।

ইপিনে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় বৰ্গৰ ফলাফলসমূহ কাইলৈ পুৱা চাৰে ১০ বজাত ঘোষণা কৰা হ'ব। পৰীক্ষাৰ্থীসকলে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ সংশ্লিষ্ট ৱেবছাইটত গৈ তেওঁলোকৰ ফলাফলসমূহ লাভ কৰিব পাৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰিছে।

**বাইট (চি এম)**

০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে বিশেষ তদন্তকাৰী দলে আজি উলুবাৰীস্থিত চি আই ডিৰ কাৰ্যালয়ত কেইবাজনো লোকক সোধা-পোচা কৰে। শিল্পীগৰাকীৰ ব্যক্তিগত সুৰক্ষা বিষয়া পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাক আজি পুনৰ সোধা-পোচা কৰা হয়। উল্লেখযোগ্য যে চৰকাৰীভাৱে নিয়োজিত দুয়োগৰাকী বিষয়াকে সন্দেহজনক লেন-দেনৰ অভিযোগত নিলম্বন কৰা হৈছে। তদুপৰি জুবিন গাৰ্গৰ শব্দযন্ত্ৰী দিগন্ত শৰ্মা আৰু ব্যৱসায়ৰ সহযোগী বংকিম ৰায়মেধিৰো আজি এছ্ আই টিয়ে ভাষ্য গ্ৰহণ কৰে। উল্লেখযোগ্য য ছিংগাপুৰত এই ঘটনাৰ সময়ত তাত উপস্থিত থকা ১০গৰাকী প্ৰবাসী অসমীয়াক শীঘ্ৰেই হাজিৰ হবলৈ অসম আৰক্ষীয়ে চমন জাৰি কৰিছে। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে তদন্ত নিয়াৰিকৈ হোৱাৰ স্বাৰ্থত এই প্ৰবাসী অসমীয়াসকলক অসমলৈ পঠিওৱাৰ বাবে ছিংগাপুৰ শাখা সাহিত্য সভাক দায়িত্ব ল'বলৈ আহ্বান জনায়।

**বাইট**

০০০০০

হাংগেৰীৰ প্ৰখ্যাত ঔপন্যাসিক আৰু চিত্ৰনাট্যকাৰ লাছল' ক্ৰাছনাহ'ৰ্কাইলৈ ২০২৫ বৰ্ষৰ সাহিত্যৰ নবেল বঁটা আগবঢ়োৱা হৈছে। ছুইডেনৰ ষ্টকহোমত থকা ছুইডিচ একাডেমী নবেল কমিটীয়ে আজি এই বঁটা ঘোষণা কৰে। সন্ত্ৰাস আৰু হত্যা-হিংসা জৰ্জৰিত পৰিস্থিতিত নিজৰ প্ৰভাৱশালী আৰু ভৱিষ্যদৰ্শী সাহিত্যকৰ্মৰে কলা শক্তিক পুনৰ প্ৰতিষ্ঠা কৰাৰ স্বীকৃতিস্বৰূপে সাহিত্যিকগৰাকীলৈ এই বঁটা আগবঢ়োৱা হৈছে। পুৰস্কাৰ হিচাপে তেওঁ ১ দশমিক ২ নিযুত আমেৰিকান ডলাৰ লাভ কৰিব। উল্লেখযোগ্য যে ইয়াৰ আগেয়ে চলিত সপ্তাহটোত চিকিৎসা, পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰ নবেল বঁটা প্ৰদান কৰা হৈছিল।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তৱৰ্তী তাপাত অঞ্চলত আজি ধান কটাক কেন্দ্ৰ কৰি দুয়োখন ৰাজ্যৰ সীমান্তবাসী লোকৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। আমাৰ পশ্চিম কাৰ্বি আংলঙৰ সংবাদদাতাই জনোৱা মতে খাছী

লোকৰ চোকা অস্ত্ৰৰ আক্ৰমণত অৰিয়েল টিমুং নামৰ এজন লোকৰ মৃত্যু হোৱাৰ উপৰি ষ্টেনৰেল টিমুং নামৰ আন এজন লোক গুৰুতৰভাৱে আহত হয়। সংঘৰ্ষৰ খবৰ পোৱাৰ লগে লগে অসম আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কন্দুৱা গেছ প্ৰয়োগ কৰে। আৰক্ষীয়ে গুৰুতৰভাৱে আহত লোকজনক উন্নত চিকিৎসাৰ বাবে হোজাইৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে অৰিয়েল টিমুঙৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিফু চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। সম্প্ৰতি পৰিস্থিতি নিয়ন্ত্ৰণত আছে যদিও অঞ্চলটোত চেপা উত্তেজনাই বিৰাজ কৰিছে। উল্লেখযোগ্য যে যোৱা ৬ অক্টোবৰত দুয়োখন ৰাজ্যৰ সীমান্তৱৰ্তী শান্তি সমিতিৰ মাজত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকত সীমান্ত অঞ্চলটোত শান্তি বাহাল নোহোৱা পৰ্যন্ত দুয়োপক্ষই কৃষি কৰ্মকে ধৰি সকলো উন্নয়নমূলক কাৰ্য স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

ooooo

কেন্দ্ৰীয় ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ মন্ত্ৰী জিতন ৰাম মাঝিয়ে আজি নলবাৰী জিলাত কেন্দ্ৰীয় চৰকাৰৰ কেইবাখনো ধ্বজাবাহী আঁচনি ৰূপায়ণৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে নলবাৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনিসমূহ ৰূপায়ণৰ বুজ লয়। এই বৈঠকত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ উপৰি জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত গৰ্ডন খেলপথাৰৰ সমীপৰ উত্তৰ কামৰূপ ষ্টেডিয়ামত ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ মেলাৰ শুভাৰম্ভ কৰাৰ লগতে ক্ষুদ্ৰ উদ্যোগীসকলৰ সৈতে মত-বিনিময় কৰে।

ooooo

প্ৰদেশ বিজেপিৰ জ্যেষ্ঠ নেতা, প্ৰাক্তন ৰে'ল ৰাজ্য মন্ত্ৰী ৰাজেন গোহাঁইয়ে আজি দলটোৰ সদস্য পদ ত্যাগ কৰে। শ্ৰীগোহাঁইয়ে গুৱাহাটীৰ বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত তেওঁৰ পদত্যাগ পত্ৰ দাখিল কৰে। দলত্যাগৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীগোহাঁইয়ে কয়, যে অটল বিহাৰী বাজপেয়ী, মুৰলী মনোহৰ যোশীৰ দৰে জ্যেষ্ঠ নেতাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ তেওঁ বিজেপিত যোগদান কৰিছিল। বৰ্তমান সময়ত দলটোৰ কাম-কাজক লৈও তেওঁ ক্ষোভ প্ৰকাশ কৰে। ভৱিষ্যতে ৰাজনীতিত থাকিব নে নাথাকে সেই সন্দৰ্ভত পৰৱৰ্তী সময়তহে সিদ্ধান্ত ল'ব বুলি শ্ৰীগোহাঁইয়ে লগতে মন্তব্য কৰে।

ooooo

জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই আজি ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কবলত পৰা ফুলবাগানৰ কাছাৰীঘাট পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। জলসম্পদ বিভাগে এই অংশটো সম্পূৰ্ণৰূপে বিপদমুক্ত কৰিবলৈ যুদ্ধকালীন ক্ষিপ্ৰতাৰে কাম কৰি আছে বুলি তেওঁ সাংবাদিকৰ আগত প্ৰকাশ কৰে। খহনীয়া প্ৰতিৰোধৰ বাবে বিভাগটোত পৰ্যাপ্ত সামগ্ৰী মজুত আছে বুলি উল্লেখ কৰি শ্ৰীহাজৰিকাই কয়, যে ডিব্ৰুগড়ৰ প্ৰায় সকলো স্থানতে ব্ৰহ্মপুত্ৰৰ পাৰত খহনীয়া প্ৰতিৰোধৰ কাম চলি আছে। বিগত দুবছৰত ডিব্ৰুগড় চহৰৰ সুৰক্ষাৰ বাবে প্ৰায় ৩৭৫ কোটি টকা ব্যয় কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ব্ৰহ্মপুত্ৰৰ গভীৰতাৰ বাবে ইয়াৰ গতিবেগক সম্পূৰ্ণৰূপে প্ৰতিৰোধ কৰাটো সম্ভৱ নহয় যদিও ৯০ শতাংশ কাম এইক্ষেত্ৰত সফল হৈছে। ডিব্ৰুগড় নগৰৰ ফুলবাগানৰ সমীপৰ সুৰক্ষা বান্ধৰ নিচেই কাষতে হোৱা খহনীয়াৰ ফলত প্ৰায় ৪০ মিটাৰ অংশ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। শ্ৰীহাজৰিকাই এই খহনীয়াৰ স্থায়ী সমাধানৰ বাবে সকলো ব্যৱস্থা লোৱা হ'ব বুলি জনসাধাৰণক আশ্বাস দিয়ে।

**বাইট (পীযূষ)**

ooooo

কাছাৰ আৰক্ষীয়ে শিলচৰৰ ৰংপুৰত মাদক দ্ৰব্য বিৰোধী অভিযান চলাই বিশেষ সফলতা লাভ কৰিছে। আৰক্ষীয়ে আজি চুবুৰীয়া ৰাজ্যৰ পৰা অহা এখন বাহনত তালাচী চলাই ২১ হাজাৰ ৬০০ বটল নিষিদ্ধ কফছিৰাপ জব্দ

কৰে। জব্দ কৰা কফছিৰাপখিনিৰ বজাৰ মূল্য ২ কোটি টকাৰো অধিক বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। কাছাৰ আৰক্ষীয়ে এই সংক্ৰান্তত দুজন সৰবৰাহকাৰীকো আটক কৰে।

০০০০০

মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাৰ এটা দলে আজি নগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ কাৰ্যালয়ত অভিযান চলাই এগৰাকী বিষয়াক উৎকোচ লোৱা অৱস্থাত হাতে-লোটে ধৰা পেলায়। লোকজন আয়ুষ মিছনৰ জিলা আঁচনি বিষয়া শ্ৰৱণ কুমাৰ বৰা বুলি জানিব পৰা গৈছে। আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই প্ৰকাশ কৰা মতে এই লোকজনে আয়ুষ মিছনৰ নথিৰ নামত ১০ হাজাৰ টকাকৈ সংগ্ৰহ কৰি আহিছিল। এগৰাকী চিকিৎসকৰ অভিযোগৰ ভিত্তিত আজি তদাৰকী শাখাই অভিযান চলাই ১০ হাজাৰ টকা লোৱা অৱস্থাত বিষয়াজনক তেওঁৰ কাৰ্যালয়তে গ্ৰেপ্তাৰ কৰে। সম্প্ৰতি লোকজনক সোধা-পোচা কৰি থকা হৈছে।

০০০০০

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত আজিৰে পৰা দুদিনীয়াকৈ ৰাষ্ট্ৰীয় জৈৱ কীটনাশক সন্মিলন অনুষ্ঠিত হৈছে। মহাৰাষ্ট্ৰৰ এগ্ৰিকালচাৰেল মাইক্ৰ'অৰ্গেনিজিম মেন্যুফেকচাৰাৰ্ছ এণ্ড ফাৰ্মাৰ্ছ এছোচিয়েচন আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্যোগত এই সন্মিলন অনুষ্ঠিত হৈছে। এই উপলক্ষে বিশ্ববিদ্যালয়খনৰ মাধৱ চন্দ্ৰ দাস সোঁৱৰণী প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত উত্তৰ প্ৰদেশৰ এন বি এ আই এমৰ সঞ্চালক ড০ আলোক কে শ্ৰীবাস্তৱে সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত সন্মিলনৰ সমন্বয়ক ধানেশ্বৰ ৰাক্‌চুৱে নিজৰ ভাষণত ৰাসায়নিক সাৰ আৰু কীটনাশকৰ পৰিৱৰ্তে জৈৱিক কীটনাশকৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিভিন্ন শাখাৰ সন্মানসমূহ আগবঢ়োৱা হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ বিদ্যুৎ চন্দন ডেকাক এই অনুষ্ঠানতে জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হয়। সন্মিলনত দেশৰ বিভিন্ন প্ৰান্তৰ শতাধিক গৱেষক বিজ্ঞানী আৰু শিক্ষাৰ্থীয়ে গৱেষণা-পত্ৰ পাঠ কৰে।

০০০০০

আমিনগাঁৱত চলি থকা ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ আজি চতুৰ্থ দিনা ভাৰতে দক্ষিণ কোৰিয়াক হৰুৱাই ছেমি ফাইনেলত প্ৰৱেশ কৰে। প্ৰথম ছেটত ভাৰতে ৪৪-৪৫ পইণ্টত দক্ষিণ কোৰিয়াৰ হাতত পৰাস্ত হৈ দ্বিতীয় ছেটত ৪৫-৩০ আৰু তৃতীয় ছেটত ৪৫-৩৩ পইণ্টত ধাৰাবাহিকভাৱে জয়লাভ কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ লগে লগে বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপত ভাৰতৰ বাবে এটা পদক নিশ্চিত হ'ল। কাইলৈ ছেমি ফাইনেলত ইণ্ডোনেছিয়া আৰু ভাৰত মুখামুখি হ'ব। উল্লেখযোগ্য যে প্ৰথমবাৰৰ বাবে এই বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপত ভাৰতৰ পদক নিশ্চিত হ'ল।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। দক্ষিণ আফ্ৰিকাই টছত জিকি ভাৰতক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ৪৩ অভাৰত ৭টা উইকেট হেৰুৱাই ১৮৩ ৰান কৰি খেলি আছে। ৰিছা ঘোষে ৪৫ ৰান কৰি খেলি আছে। প্ৰতিকা ৰাৱলে ৩৭ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ ক্লয়ি ট্ৰায়নে তিনিটা আৰু নংকুলুলেক' ম্লাবাই দুটা উইকেট দখল কৰে।

০০০০০

সমাপ্ত